# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

**------------------**

১।	অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত থকা সীমা বিবাদ বৰ্তমানৰ ব্যৱস্থাসমূহৰ মাজেৰে সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২।	উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা সম্পূৰ্ণ হোৱা বিষয়কেইটাত পৰীক্ষাৰ্থীয়ে লাভ কৰা নম্বৰ অন্তৰ্ভুক্তিৰ বাবে আজিৰে পৰা পোৰ্টেল মুকলি।

৩।	আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰতিষ্ঠা দিৱস। ন্যায়ালয় প্ৰতিষ্ঠাৰ আঁৰৰ ব্যক্তিসকলক মুখ্যমন্ত্ৰীৰ স্মৰণ।

৪।	অশোকাষ্টমীৰ স্নান উপলক্ষে ব্ৰহ্মপুত্ৰৰ পাৰত পুৱাই হাজাৰ হাজাৰ ভক্তৰ বৰলুইতৰ পাৰত স্নানৰ বাবে ভিৰ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছ ডেলহী কেপিটেলছৰ ১৮৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ। সন্ধিয়া চাৰে ৭ বজাৰ পৰা আন এখন খেলত ৰাজস্থান ৰয়েলছ, পাঞ্জাৱ কিংছ মুখামুখি।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অৰুণাচল প্ৰদেশৰ আলোত আয়োজিত ৫৯ সংখ্যক মপিন উৎসৱত অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ মূলতঃ ইষ্ট আৰু ৱেষ্ট ছিয়াং জিলাৰ গালো জনগোষ্ঠীয় লোকসকলে মপিন উৎসৱ পালন কৰি আহিছে। প্ৰকৃতি শক্তি আৰু সমৃদ্ধিৰ বাবে উদযাপন কৰা মপিন উৎসৱত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁক আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু গালো জনগোষ্ঠীয় আয়োজক মণ্ডলীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অৰুণাচল প্ৰদেশ আৰু অসম কেৱল ভৌগোলিক সীমাৰেই নহয় বহু শতিকাজোৰা ঐতিহ্য সভ্যতা শিপাৰে সংযুক্ত সমন্বয়ৰ প্ৰতীক। অসমীয়া সমাজৰ বহু উৎসৱৰ দৰেই মপিন উৎসৱৰো আধাৰ প্ৰকৃতিয়েই বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে মপিন উৎসৱত অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত থকা ঐক্য প্ৰতিফলিত হৈছে।

**বাইট (চি এম)**

এই অনুষ্ঠানতে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত থকা সীমা বিবাদ বৰ্তমানৰ ব্যৱস্থাসমূহৰ মাজেৰে সম্পূৰ্ণৰূপে সমাধান কৰা হ'ব বুলি মন্তব্য কৰে। লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ২০২৬ চনত পালন হ'বলগীয়া ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অৰুণাচল প্ৰদেশ চৰকাৰে

অৰুণাচলতো পাতিবলৈ ইচ্ছুক। শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই অৰুণাচলৰ মুখ্যমন্ত্ৰীকো আহ্বান জনায়।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা সম্পূৰ্ণ হোৱা বিষয়কেইটাত পৰিক্ষাৰ্থীয়ে লাভ কৰা নম্বৰ অন্তৰ্ভুক্তিৰ বাবে আজিৰে পৰা পোৰ্টেল মুকলি কৰিছে। পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ ক্ষেত্ৰত নম্বৰ অন্তৰ্ভুক্তিৰ বাবে ২২ এপ্ৰিলত পুনৰ পোৰ্টেল মুকলি কৰা হ'ব বুলি পৰিষদে জানিবলৈ দিছে। এটা নিৰ্দেশনাযোগে পৰিষদে কয়, যে নম্বৰ অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত শিক্ষানুষ্ঠানৰ মুৰববীয়ে ছাত্ৰ-ছাত্ৰীক মাৰ্কশ্বিট ডাউনল'ড কৰিব পাৰিব।

০০০০০

আজি অশোকাষ্টমীৰ স্নান উপলক্ষে ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰত লোকে লোকাৰণ্য হৈ উঠিছে। পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তই বৰলুইতৰ পাৰত স্নানৰ বাবে উপস্থিত হৈছে। অশোকাষ্টমীৰ দিনটোত সনাতন ধৰ্মৰ লোকসকলে ধৰ্মীয় নীতি-নিয়ম ৰক্ষা কৰি স্নান কৰাৰ পৰম্পৰা চলি আহিছে। ধুবুৰীৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিম বংগ, বিহাৰৰ অসংখ্য ভক্তৰ আগমনত ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰ তীৰ্থস্থানত পৰিণত হৈছে। অশোকাষ্টমী স্নানৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰেই এইবাৰো আজিৰে পৰা ধুবুৰীত ১৫-দিনীয়া অশোকাষ্টমী মেলা আৰম্ভ হৈছে। মেলাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া পশ্চিম বংগৰ ব্যৱসায়ীসকলেও অস্থায়ী বিপণীৰ জৰিয়তে অংশগ্ৰহণ কৰিছে। মেলা উপলক্ষে ধুবুৰী জিলা প্ৰশাসনে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

ইয়াৰ লগতে কামৰূপ জিলাৰ শুৱালকুছিত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা আৰম্ভ হৈছে। লগতে উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰ নৈৰ পাৰত থকা বিষ্ণুপদত অস্থি আৰু পিণ্ড বিসৰ্জন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা নৈৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে।

০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ লগতে শ্ৰীভূমি জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। অধিসূচনা অনুসৰি ১১ এপ্ৰিলৈ চৰকাৰী বন্ধ বাদ দি বাকী দিনসমূহত পুৱা ১১ বজাৰ বিয়লি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীয়ে কাৰ্যালয়ৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়াক মনোনয়ন পত্ৰ প্ৰাৰ্থীয়ে নিজে বা প্ৰস্তাৱকৰ জৰিয়তে দাখিল কৰিব পাৰিব। ১২ এপ্ৰিলৰ পুৱা চাৰে ১০ বজাৰ পৰা একেস্থানতে মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিলৰ বিয়লি ৩ বজাৰ ভিতৰত একেস্থানতে মনোনয়ন প্ৰত্যাহাৰৰ বাবে দাখিল কৰিব পাৰিব। জিলাখনত ১৬ খন জিলা পৰিষদৰ আসনৰ বাবে ১৬ জন সদস্য, ৯৫ জন আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৯৫০ জন গাঁও পঞ্চায়তৰ সদস্য নিৰ্বাচনৰ বাবে ২ মে'ত ভোটগ্ৰহণ হ'ব।

হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি জিলাখনত দ্বিতীয় পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনত ৭৭৪টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'ব। জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ৬ লাখ ৩০ হাজাৰ ৬০০ গৰাকী। ইয়াৰে ৩ লাখ ৩০ হাজাৰ পুৰুষ ভোটাৰ আৰু ৩ লাখ ৭ হাজাৰ ৫৯১ গৰাকী মহিলা আৰু অন্যান্য ৯ গৰাকী ভোটাৰ আছে। জিলাখনত পঞ্চায়ত নিৰ্বাচন পৰিচালনা কৰিবলৈ ৩ হাজাৰ ৭১৬ গৰাকী বিষয়া নিয়োগ কৰা হ'ব। গাঁও পঞ্চায়তৰ সদস্যসকলৰ বাবে মনোনয়ন দাখিল কৰিবলৈ জিলাখনৰ ৫টা খণ্ডত ব্যৱস্থা কৰা হৈছে। জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যৰ প্ৰাৰ্থীয়ে জিলা

আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং সমজিলা কাৰ্যালয়ত মনোনয়ন দাখিল কৰিব পাৰিব। একে সময়তে জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰচাৰ সভাৰ ক্ষেত্ৰতো নীতি-নিৰ্দেশনা জাৰি কৰিছে।

ৰাজ্যৰ আন কেইবাখনো জিলাৰ লগতে ৭ মে’ত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হ’বলগীয়া দৰং জিলাতো নিৰ্বাচন নিকা আৰু মুক্তভাৱে পৰিচালনা কৰিবলৈ জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰিছে। জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে জনোৱা অনুসৰি জিলাখনৰ ১২টা জিলা পৰিষদ সমষ্টি, ৭৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৭৫০ খন পঞ্চায়ত ৱাৰ্ড আসনৰ বাবে ভোটগ্ৰহণ হ’ব।

ooooo

প্ৰয়াত ৰেকিবুদ্দিন আহমেদৰ সোঁৱৰণত গঢ় লৈ উঠা জিকিৰ সম্ৰাট ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী জিকিৰ-জাৰী চৰ্চা আৰু গৱেষণা মঞ্চ অসমৰ উদ্যোগত আজি শিৱসাগৰৰ যুৱদলত বিশেষ স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত লোক সংস্কৃতিৰ সাধক ড০ অনিল শইকীয়াই জিকিৰৰ সাংগীতিক সৌন্দৰ্য শীৰ্ষক বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে লোকশিল্পী তথা ভাৰত চৰকাৰৰ সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক তৰাৱতী বড়িক ২০২৪-২৫ বৰ্ষৰ ৰেকিবুদ্দিন আহমেদ সোঁৱৰণী বঁটা হয়। একেটা অনুষ্ঠানতে জিকিৰ শিল্পী ছামছুদ্দিন আহমেদক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। জিকিৰ-জাৰী প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে নিৰলসভাৱে কাম কৰি যোৱা অসমৰ ভিন্ন প্ৰান্তৰ জিকিৰ শিল্পীকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচনত কমলপুৰৰ বিজেপি বিধায়ক দিগন্ত কলিতা আৰু কমলপুৰৰ অসম গণ পৰিষদৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই পঞ্চায়তৰ নিৰ্বাচনত মিত্ৰতাৰে একেলগে অৱতীৰ্ণ হ’ব। আজি কামৰূপৰ বাইহাটা চাৰিআলিৰ কৰৱাত আয়োজিত এখন সংবাদমেলৰ যোগেদি দুয়োজন নেতাই এই কথা ঘোষণা কৰিছে। বিজেপি আৰু অগপ দলে সন্মানজনকভাৱে আসন ভাগ-বাটোৱাৰা কৰি বিৰোধী পক্ষলৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু বুলি বিধায়ক দিগন্ত কলিতাই ঘোষণা কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ৬২ সংখ্যক ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস উপলক্ষে সামুদ্ৰিক সজাগতা ৰাকাথন মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী সোণোৱালে কয় যে দেশৰ জনসাধাৰণে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা উচিত। তেওঁ লগতে কয়, যে ভাৰতক বিশ্বৰ ভিতৰতে উন্নত সামুদ্ৰিক শক্তি হিচাপে গঢ়ি তুলিবলৈ হ’লে যুৱচামে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ভাৰতৰ সামুদ্ৰিক খণ্ড দেশৰ অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ এটা অভিযানকাৰী দলে আজি দৰং জিলাৰ ছিপাঝাৰত বন বিভাগৰ এজন কৰ্মচাৰীক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে আটক কৰে। নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত দুৰ্নীতি নিবাৰক শাখাৰ আৰক্ষীয়ে অভিযুক্ত ছিপাঝাৰ কুৰুৱা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী আমিনুল ইছলামক ধৰিবলৈ ৰেহু ৰচনা কৰে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বিজুলীবাৰীত অভিযোগকাৰীৰ সৈতে অৱস্থান কৰা দুৰ্নীতি নিবাৰক শাখাৰ দলটোৱে পূৰ্বৰ নিৰ্ধাৰিত অনুসৰি ৫ হাজাৰ টকা অভিযোগকাৰীৰ হাতৰ পৰা গ্ৰহণ কৰাৰ সময়তে আমিনুল ইছলামক আৰক্ষীয়ে আটক কৰে। অভিযুক্ত কৰ্মচাৰীগৰাকীয়ে অঞ্চলটোত থকা মাটি কৰিওৱা প্ৰতিখন ডাম্পাৰ, ট্ৰাক আদিৰ গৰাকীক বন বিভাগৰ পৰা ৰক্ষণাবেক্ষণ দিয়াৰ চৰ্তত মাহে ৩০ হাজাৰ টকাকৈ দাবী কৰা বুলি অভিযোগ উত্থাপন হৈছিল। ধৃত বন কৰ্মচাৰীজনৰ ঘৰ মঙলদৈ চহৰৰ কৰিমচৌকত।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন অহা ৯ এপ্ৰিলত যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হ'ব। এই সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং আৰু প্ৰকৃতিপ্ৰেমী গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হ'ব। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণি প্ৰেক্ষাগৃহত হ'বলগীয়া কাৰ্যসূচীত  বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ  ডিগ্ৰীৰ লগতে পি এইচ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব।

০০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম্ কেন্দ্ৰীয় দ্বিবাৰ্ষিক গোলাঘাট অধিবেশনৰ আজি দ্বিতীয় দিনা মুকলি সভা অনুষ্ঠিত হয়। সভাত বিত্ত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি, পলাশ চাংমাইসহ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। কাইলৈ অধিবেশনৰ সামৰণি পৰিব।

০০০০০

বিগত তিনি মাহত মহানগৰ আৰক্ষীয়ে ৫ কোটি টকা মূল্যৰ চুৰি সামগ্ৰী জব্দ কৰাৰ লগতে ৫৮৭টা চোৰক গ্ৰেপ্তাৰ কৰিছে। গুৱাহাটী মহানগৰ যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে আজি সংবাদ মেলযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে যোৱা ১ জানুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ মহানগৰ আৰক্ষীয়ে ৮১খন দুচকীয়া বাহন, ১০খন তিনিচকীয়া বাহন, ২২খন চাৰিচকীয়া বাহন আৰু ৮৪টা গাড়ী চোৰক আটক কৰিছে। এই সময়ছোৱাত ৯ কোটি টকা মূল্যৰ ড্ৰাগছসহ ১৯২টা সৰবৰাহকাৰীক আটক কৰা হৈছে। চিলনী চোৰৰ পৰা ৫৮৩টা মোবাইল ফোন, ২৩৯গৰাকী নিৰুদ্দেশ হোৱা ব্যক্তি আৰু ৭২ লাখ টকা চাইবাৰ কবলৰ পৰা উদ্ধাৰ কৰা বুলি আৰক্ষী আয়ুক্তগৰাকীয়ে আজি প্ৰকাশ কৰে।

০০০০০

উজনি মাজুলীৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আজিৰে পৰা আৰম্ভ হৈছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা সামৰণি অনুষ্ঠানৰ আজি প্ৰথম দিনা পৰিবেশ নিকাকৰণ, গছপুলি ৰোপন, বিদ্যালয়ৰ মূল পতাকাৰ লগতে মাজুলীৰ বিভিন্ন স্থানৰ ৫০গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হয়। লগতে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ আনুষ্ঠানিক পঞ্জীয়ন, নৱনিৰ্মিত তোৰণ উন্মোচন আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ অনুষ্ঠিত হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত অনুষ্ঠিত এখন খেলত ডেলহী কেপিটেলছে নিৰ্ধাৰণ কৰি দিয়া ১৮৪ ৰাণৰ লক্ষ্য অনুসৰণ কৰি চেন্নাই ছুপাৰ কিংছে বেটিং কৰি আছে। খেলখনত আলহী দল ডেলহী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৩ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৭৭ ৰাণ, অভিষেক পোড়েলে ৩৩ ৰাণ সংগ্ৰহ কৰে। চেন্নাই ছুপাৰ কিংছৰ হৈ খলিল আহমেদে দুটা উইকেট আৰু ৰবীন্দ্ৰ জাদেজা, নুৰ আহমেদ, মাথিছা পাথিৰাণাই এটাকৈ উইকেট লাভ কৰে। ঘৰুৱা দলটোৱে এতিয়ালৈ ১৮অভাৰত ৫টা উইকেট হেৰুৱাই ১৩০ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

আনহাতে চণ্ডীগড়ত হ'বলগীয়া আন এখন খেলত ৰাজস্থান ৰয়েলছ পাঞ্জাৱ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত ৰাজস্থান ৰয়েলছ এই টুৰ্ণামেণ্টত প্ৰথমবাৰৰ বাবে স্থায়ী অধিনায়ক সঞ্জু ছেমছনে নেতৃত্ব দিব। উল্লেখযোগ্য যে দলটোক প্ৰথম তিনিখন খেলত অসম সন্তান ৰিয়ান পৰাগে নেতৃত্ব দিছিল।

ooooo

সমাপ্ত